# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-12-2025
**Time :** 1340 hrs

*Assamese Midday Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে হায়দৰাবাদত অনুষ্ঠিত ৰাজ্যিক লোকসেৱা আয়োগৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন আজি কিছু সময় পূৰ্বে উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আয়োজিত বিশ্ব স্বাস্থ্য সংস্থাৰ পৰম্পৰাগত চিকিৎসা বিষয়ক দ্বিতীয় গোলকীয় শীৰ্ষ সন্মিলনৰ সামৰণি অনুষ্ঠানত ভাষণ দিব।

৩। যোৱা ১২ ডিচেম্বৰত অচিনাক্ত বন্দুকধাৰীৰ আক্ৰমণত গুৰুতৰভাৱে আহত বাংলাদেশৰ ইনকিলাব মঞ্চৰ আহ্বায়ক শ্বৰীফ ওচমান হাদীৰ যোৱানিশা ছিংগাপুৰৰ এখন হাস্পতালত মৃত্যু হয়।

৪। গোৱাৰ ৬৬ সংখ্যক মুক্তি দিৱস উপলক্ষে গোৱা বিশ্ববিদ্যালয় প্ৰাংগণত ৰাজ্যিক ভিত্তিত অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

আৰু

৫। আহমেদাবাদত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল অনুষ্ঠিত হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে হায়দৰাবাদত অনুষ্ঠিত ৰাজ্যিক লোকসেৱা আয়োগৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন আজি কিছু সময় পূৰ্বে উদ্বোধন কৰে। সন্মিলনত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে কয় যে লোকসেৱা আয়োগত নিযুক্তিৰ ক্ষেত্ৰত সততা অতি গুৰুত্বপূৰ্ণ। কেন্দ্ৰীয় লোকসেৱা আয়োগ, ইউ পি এছ চিৰ কথা উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে ইউ পি এছ চি হৈছে অতি বিশ্বাসযোগ্য চৰকাৰী প্ৰতিষ্ঠান। তেওঁ কেন্দ্ৰীয় লোকসেৱা আয়োগ আৰু ৰাজ্যিক লোকসেৱা আয়োগসমূহক প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ নিজক সাজু কৰি তোলাৰ বাবে আহ্বান জনায়। ইয়াৰ পূৰ্বে তেলেংগানাৰ ৰাজ্যপাল জিষ্ণু দেৱবাৰ্মাই নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতা আৰু নিৰ্ধাৰিত সময়সীমা মানি চলাৰ বাবে গুৰুত্ব আৰোপ কৰে। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধ্যক্ষ অজয় কুমাৰেও এই সন্মিলনত অংশগ্ৰহণ কৰে। তেলেংগানা লোকসেৱা আয়োগৰ অধ্যক্ষ বি ভেংকটেশ্বমে কয় যে এই দুদিনীয়া সন্মিলনে কেন্দ্ৰীয় লোকসেৱা আয়োগ আৰু ৰাজ্যিক লোকসেৱা আয়োগৰ বিষয়াসকলক একেলগে এখন মঞ্চ দিয়াৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে যাতে চৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত প্ৰত্যাহ্বান আৰু সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি যথোচিত ব্যৱস্থা গ্ৰহণৰ লগতে সংস্কাৰ সাধন কৰিব পাৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আয়োজিত বিশ্ব স্বাস্থ্য সংস্থাৰ পৰম্পৰাগত চিকিৎসা বিষয়ক দ্বিতীয় গোলকীয় শীৰ্ষ সন্মিলনৰ সামৰণি অনুষ্ঠানত ভাষণ দিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে আয়ুষ ক্ষেত্ৰৰ বাবে প্ৰধান ডিজিটেল পোৰ্টেল, মাই আয়ুষ সংহত সেৱা পোৰ্টেলসহ কেইবাটাও গুৰুত্বপূৰ্ণ উদ্যম

মুকলি কৰিব। তেওঁ লগতে আয়ুষ চিহ্ন উন্মোচন কৰিব। ইয়াৰ জৰিয়তে আয়ুষ সামগ্ৰী আৰু গুণগত সেৱাৰ গোলকীয় মান হিচাপে এই চিহ্নৰ পৰিকল্পনা কৰা হৈছে। অনুষ্ঠানত শ্ৰীমোদীয়ে যোগ প্ৰশিক্ষণ সন্দৰ্ভত বিশ্বস্বাস্থ্য সংস্থাৰ প্ৰতিবেদন আৰু আয়ুষ মন্ত্ৰালয়ৰ ১১ বছৰীয়া পৰিৱৰ্তন যাত্ৰা সম্পৰ্কীয় এখন গ্ৰন্থও উন্মোচন কৰিব। তেওঁ লগতে অশ্বগন্ধা স্মাৰক ডাক টিকট মুকলি কৰিব। অনুষ্ঠানত ২০২১ৰ পৰা ২০২৫ চনৰ সময়ছোৱাত যোগৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য বৰঙণিৰ বাবে প্ৰধানমন্ত্ৰীৰ পুৰস্কাৰ লাভ কৰা সকলক সম্বৰ্ধনা জনোৱা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে পৰম্পৰাগত চিকিৎসা অন্বেষণ স্থলো পৰিদৰ্শন কৰিব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত অলপতে ভাৰতক প্ৰতিনিধিত্ব কৰা বহুদলীয় সংসদীয় প্ৰতিনিধিৰ দলটোৰ সদস্যসকলৰ সৈতে আজি মত বিনিময় কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড° জয়শংকৰে আন্তৰ্জাতিক মঞ্চত দেশৰ স্থিতি প্ৰকাশ কৰাৰ বাবে সদস্যসকলক প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে সদস্যসকলৰ অভিজ্ঞতা সন্দৰ্ভতো অৱগত হয়।

ooooo

যোৱা ১২ ডিচেম্বৰত অচিনাক্ত বন্দুকধাৰীৰ আক্ৰমণত গুৰুতৰভাৱে আহত বাংলাদেশৰ ইনকিলাব মঞ্চৰ আহ্বায়ক শ্বৰীফ ওচমান হাদীৰ যোৱানিশা ছিংগাপুৰৰ এখন হাস্পতালত মৃত্যু হয়। ভাৰত বিদ্বেষী ভাষণ আৰু কাৰ্যকলাপেৰে প্ৰখ্যাত হৈ পৰা যুৱনেতাজন দেশখনৰ শাসনাধিষ্ঠিত তত্বাৱধায়ক চৰকাৰৰ অতি ঘনিষ্ঠ বুলি পৰিচিত আছিল। ওচমান হাদীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে দেশখনত ব্যাপক হিংসাত্মক প্ৰতিবাদ সাব্যস্ত হোৱাৰ বাতৰি আহিছে। যোৱা মাজনিশা ডেৰ বজাৰ পৰা দুই বজাৰ ভিতৰত ঢাকাৰ ধানমণ্ডিত থকা সাংস্কৃতিক সংস্থা চায়ানটৰ কাৰ্যালয়টো দুষ্কৃতিকাৰীয়ে লণ্ড-ভণ্ড কৰাৰ লগতে অগ্নিসংযোগ কৰাৰ ফলত কাৰ্যালয়টো আংশিকভাৱে ক্ষতিগ্ৰস্ত হয়। সংবাদ সংস্থাসমূহৰ বাতৰি অনুসৰি দেশখনৰ বিভিন্ন ঠাইত সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ ওপৰতো বিক্ষিপ্ত আক্ৰমণৰ ঘটনা সংঘটিত হৈছে। দেশখনৰ পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ বাবে ঠায়ে ঠায়ে সেনা বাহিনীক নিয়োগ কৰা হৈছে।

ইপিনে, তত্বাৱধায়ক চৰকাৰৰ প্ৰধান উপদেষ্টা মহম্মদ য়ুনুছে ওচমান হাদীৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰিছে আৰু ওচমান হাদীৰ পত্নী আৰু পুত্ৰ সন্তানৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিব বুলি ঘোষণা কৰিছে।

ooooo

লোকসভাৰ শীতকালীন অধিবেশনৰ কাম-কাজ আজিৰে পৰা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে। যোৱা পহিলা ডিচেম্বৰত আৰম্ভ হোৱা এইবাৰৰ শীতকালীন অধিবেশনত সময়ছোৱাত মুঠ ১৫খন বৈঠক অনুষ্ঠিত হৈছিল। অধ্যক্ষ ওম বিৰলাই লোকসভাৰ এইবাৰৰ অধিবেশন ফলপ্ৰসূ আছিল বুলি প্ৰকাশ কৰে। সদনৰ কাৰ্যসূচী সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ বাবে তেওঁ সদনৰ সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

গোৱাৰ আজি ৬৬ সংখ্যক মুক্তি দিৱস। এই উপলক্ষে গোৱা বিশ্ববিদ্যালয় প্ৰাংগণত ৰাজ্যিক ভিত্তিত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° প্ৰমোদ সাৱন্তে ২০৪৭ চনৰ বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি ২০৩৭ চনলৈ গোৱাক এখন উন্নত ৰাজ্যলৈ পৰ্যবেসিত কৰাৰ হকে কাম কৰিবলৈ নাগৰিকসকললৈ আহ্বান জনায়। শিক্ষা, আন্তঃগাঁথনি, স্বাস্থ্য, পৰ্যটন আৰু অৰ্থনৈতিক প্ৰগতিৰ ক্ষেত্ৰত

গোৱাৰ উন্নয়ন সন্দৰ্ভত আলোকপাত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ ঐতিহ্য, একতা আৰু আত্মনিৰ্ভৰশীলতাৰ হকে কাম কৰিবলৈ নাগৰিকসকললৈ আহ্বান জনায়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গোৱা মুক্তি দিৱসত অতুলনীয় নিষ্ঠা আৰু সংকল্পৰ বাবে মুক্তি যুঁজাৰুসকলৰ প্ৰশংসা কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে ঔপনিৱেশিক শাসনৰ পৰা গোৱাক মুক্ত কৰাৰ হকে অহৰ্নিশে যুঁজ দিয়া বীৰসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। শ্ৰীমতী মুৰ্মুৱে গোৱাবাসীৰ উজ্জ্বল ভৱিষ্যত আৰু সমৃদ্ধিৰ কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাহস আৰু বিশ্বাসেৰে স্বাধীনতাৰ বাবে সংগ্ৰাম কৰা তথা অন্যায় সহ্য কৰিবলৈ সন্মত নোহোৱা অদমনীয় সাহসী বীৰসকলক শ্ৰদ্ধাৰে সোঁৱৰে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰে যে এই বীৰসকলৰ ত্যাগে গোৱাৰ সৰ্বাত্মক প্ৰগতিৰ হকে কাম কৰিবলৈ নাগৰিক তথা চৰকাৰক অবিৰতভাৱে অনুপ্ৰাণিত কৰি থাকিব। তদুপৰি এই দিনটো দেশৰ যাত্ৰাপথত এটা উল্লেখনীয় দিন হিচাপে পৰিগণিত হৈ ৰ'ব বুলি তেওঁ প্ৰকাশ কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহে গোৱা মুক্তি দিৱসত গোৱাবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে দেশপ্ৰেমীসকলৰ মহান ত্যাগক স্মৰণ কৰে। বৈদ্য, বালা ৰায়া মাপাৰি, নানাজী আৰু জগন্নাথ ৰাও যোশীৰ দৰে দেশপ্ৰেমীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰি গৃহমন্ত্ৰীগৰাকীয়ে গোৱাৰ স্বাধীনতাৰ স্বাৰ্থত অসীম ত্যাগ স্বীকাৰ কৰা বীৰসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ১৯৬১ চনলৈ ভাৰতীয়সকলে গোৱা ভ্ৰমণ কৰাৰ বাবে অনুমতি ল'বলগীয়া হৈছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে সাহসী বীৰসকলৰ ত্যাগৰ বাবে গোৱা ভাৰতৰ অবিচ্ছেদ্য অংগ হৈ উঠে।

ooooo

বেলুচিস্তানৰ মানৱ অধিকাৰ পৰিষদে পাকিস্তানী নিৰাপত্তা বাহিনীয়ে বালুচ মহিলাসকলক ক্ৰমাগতভাৱে নিৰুদ্দিষ্ট কৰা সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে। চলিত বৰ্ষত শিক্ষাৰ্থী, স্বাস্থ্যকৰ্মী, সমাজকৰ্মী তথা গৃহিনীকে ধৰি ৯গৰাকী মহিলা নিৰুদ্দেশ হোৱাৰ ঘটনা পোহৰলৈ আহিছে। ইয়াৰ কিছুসংখ্যক মহিলাৰ নিৰাপত্তা বাহিনীৰ জিম্মাতেই মৃত্যু ঘটিছে। পুৰুষসকলো এনে অত্যাচাৰৰ সন্মুখীন হৈছে যদিও মহিলাসকলক সদ্যহতে পোনপটীয়া লক্ষ্য কৰি লোৱা হৈছে বুলি পৰিষদে অভিযোগ উত্থাপন কৰিছে। এনে অপহৰণৰ জৰিয়তে বেলুচিস্তানৰ ওপৰত নিয়ন্ত্ৰণক স্বাভাৱিক কৰি তোলাৰ লগতে জনসাধাৰণক দমন কৰি ৰাখিব বিচৰা হৈছে বুলি পৰিষদে উল্লেখ কৰে।

ooooo

ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া বাক্‌ৰ মিৰ্জাৰ যোৱানিশা হৃদৰোগত আক্ৰান্ত হৈ হায়দৰাবাদত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৭ বছৰ। আকাশবাণী, দূৰদৰ্শন, ভাৰত চৰকাৰৰ প্ৰকাশন বিভাগ তথা প্ৰেছ ইনফৰমেচন ব্যুৰ'কে ধৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ কেইবাটাও বিভাগত তেওঁ সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰিছিল। বহুবছৰ ধৰি আকাশবাণী হায়দৰাবাদৰ কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰা মিৰ্জাই গুৱাহাটী দূৰদৰ্শন বাতৰি বিভাগৰ যুটীয়া সঞ্চালক ৰূপেও প্ৰায় তিনি বছৰ কাল কাৰ্যনিৰ্বাহ কৰে। ২০১৮ চনত তেওঁ গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগৰ পৰাই অৱসৰ গ্ৰহণ কৰে। আজি দুপৰীয়া হায়দৰাবাদৰ বাঘদাদিয়া মছজিদ কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

ooooo

নেচনেল ইনষ্টিটিউট অব ফেশ্বন টেকন'লজী চমুকৈ এন আই এফ টিয়ে প্ৰতিষ্ঠানখনৰ বিভিন্ন শাখাত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষাৰ বাবে আবেদন মাচুল হ্ৰাস কৰিছে। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ে জনোৱা মতে, ২০২৬-২৭ বৰ্ষৰ শিক্ষাৰ্থীৰ বাবে আবেদন মাচুল ৩ হাজাৰ টকাৰ পৰা দুহেজাৰলৈ হ্ৰাস কৰা হৈছে। এই মাচুল সকলোৰে বাবে হ্ৰাস কৰাৰ লগতে অন্যান্য পিছপৰা শ্ৰেণী আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ শিক্ষাৰ্থীও আছে। একেদৰে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু দিব্যাংগ লোকসকলৰ আবেদনৰ মাচুল পূৰ্বৰ ১৫০০ টকাৰ পৰা ৫০০ টকালৈ হ্ৰাস কৰা হৈছে। প্ৰৱেশ পৰীক্ষাৰ বাবে আবেদন প্ৰপত্ৰ পূৰণৰ প্ৰক্ৰিয়া অহা বৰ্ষৰ ৬ জানুৱাৰীলৈ অব্যাহত থাকিব। অহা বৰ্ষৰ ৮ ফেব্ৰুৱাৰীত দেশৰ ১০০খন চহৰত প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হ'ব।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে।

ooooo

**সমাপ্ত**